**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-SEP-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

**--------------------**

১। বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন।

২। অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা আৰু বিভিন্ন দল-সংগঠনৰ উদ্যোগত জিলাই জিলাই সুধাকণ্ঠৰ জন্ম শতবৰ্ষ কাৰ্যসূচী।

৩। অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বি টি চি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। বিৰল মহাজাগতিক পৰিঘটনাৰ ফলস্বৰূপে আজি নিশাৰ আকাশত ব্যতিক্ৰমী ধৰণৰ পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ।

**আৰু**

৫। য়নেক্স উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত মুঠ ১১টা সোণৰ পদক জয়েৰে অসমৰ সফল সামৰণি।

oooooo

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কাইলৈৰ পৰা ৰাজ্যজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কাইলৈ শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা ৯ বজাৰ পৰা হবলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে কাইলৈৰ পৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। ইয়াৰ উপৰি দেশে বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আজি সভাই গুৱাহাটী কাৰ্যালয়ৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

**বাইট ঃ দেৱজিৎ বৰা**

তেওঁ কয় যে অসম সাহিত্য সভাৰ উদ্যোগত আৰু ওদালগুৰি জিলাৰ শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ শতদল শাখা সাহিত্য সভাৰ সহযোগত কাইলৈ আৰু পৰহিলৈ শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱাৰ ভাগত বন্তি প্ৰজলন, গছপুলি ৰোপণ, গ্ৰন্থ বিপনী মুকলি, ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া শিল্পীগৰাকীৰ স্মৃতিত এশ গছি বন্তি প্ৰজলন কৰা হ'ব। পৰহিলৈ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতি অংকন প্ৰতিযোগিতা আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই শোভাযাত্ৰাত শিল্পী, সাহিত্যিকে অংশগ্ৰহণ কৰিব।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৱা জালুকবাৰী ভূপেন হাজৰিকা সমাধিক্ষেত্ৰৰ পৰা এটা চাইকেল সমদল উলিওৱা হয়। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকাই এই সমদল মুকলি কৰে। আজি পুৱাৰ ভাগত গুৱাহাটীৰ গণেশ মন্দিৰ প্ৰাঙ্গনত ভূপেন হাজৰিকাৰ গীতৰ এখন কৰ্মশালা মুকলি কৰা হয়। কৰ্মশালাখন শিল্পী কমল কটকীয়ে মুকলি কৰে। ইপিনে, কিংবদন্তি শিল্পীগৰাকীৰ জীৱনক লৈ নিৰ্মাণ কৰা ভূপেন দা আনকাট নামৰ এখন তথ্যচিত্ৰ আজি গুৱাহাটীৰ অনুৰাধা চিত্ৰগৃহত প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত শিল্পীগৰাকীৰ পুত্ৰ তেজ হাজৰিকাৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। কাইলৈ ৰাজ্যৰ প্ৰতিখন জিলা সদৰত পুৱাৰ ভাগত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত এশ গৰাকীকৈ শিল্পীয়ে মানুহে মানুহৰ বাবে গীতটি পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলি জনাব। একেদৰে দিঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আযোজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ জন্ম শত বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি সদৌ অসম ছাত্ৰ সন্থাই এখন স্মাৰক গ্ৰন্থইও প্ৰকাশ কৰিব। তদুপৰি মুকলি কুইজ আৰু ৰং তুলিকাৰ এটা দিন শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ে আজি সন্ধিয়া চাৰে সাত বজাত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই অটো ৰিক্সা চলাও আমি দুয়ো ভাই শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰিব।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীটো শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি আৰম্ভণি কাৰ্যসূচীত সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজলন আৰু পতাকা উত্তোলন কৰা হয়।

ইপিনে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি ড° অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান কবিতাটি সমুহীয়াভাৱে আবৃত্তিৰ কাৰ্যসূচী লোৱা হয়। আজি মঙলদৈৰ জিলা পুথিভড়াল প্ৰেক্ষাগৃহতো এই অনুষ্ঠানৰ আয়োজন কৰা হয়। কাইলৈ শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন প্ৰবীন আবৃত্তিকাৰে কবিতাটি আবৃত্তি কৰিব। গোৱালপাৰা মহাবিদ্যালয়তো আজি এই আবৃত্তিৰ আয়োজন কৰা হয়। কাইলৈ ডেৰ শতাধিক আবৃত্তিকাৰে এই কবিতাটি পৰিৱেশন কৰিব। ডিব্ৰুগড় জিলাত আজি বহু শিল্পীয়ে ড° অমৰজ্যোতি চৌধুৰী ৰচিত মৃত্যু জিনাৰ গান শীৰ্ষক কবিতাটি সমস্বৰে আবৃত্তি কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। মাজুলি সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে।

কবিতা ঃ

জিলাখনত আজি ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত চাইকেল সমদলৰ আয়োজন কৰা হয়। সেউজ আৰু স্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তোলাৰ বাৰ্তা দিয়াৰ বাবে আয়োজন কৰা এই সমদল মন্ত্ৰী প্ৰশান্ত ফুকনে পতাকা জোকাৰি শুভাৰম্ভ কৰে। অনুষ্ঠানত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উপ সভানেত্ৰী শিল্পী মণিষা হাজৰিকা উপস্থিত থাকে। ধেমাজী জিলাতো আজি ৩ শতাধিক আবৃত্তিকাৰে মৃত্যু জিনাৰ গান শীৰ্ষক কবিতাটি সমস্বৰে আবৃত্তি কৰি সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বি টি চিৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। ইতিমধ্যে ৪০টা সমষ্টিত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো

নিশ্চিত হৈছে। কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ আগেয়ে দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছিল।

ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে আজি বাক্সা জিলাৰ মুছলপুৰত নিৰ্বাচনী সভাত অংশ লয়। শ্ৰীবড়োৱে বি টি আৰৰ শান্তি, সমৃদ্ধি তথা উন্নয়নৰ বাবে এইবাৰৰ নিৰ্বাচনত ইউ পি পি এলক জয়ী কৰাবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

**ঃ বাইট (প্ৰমোদ বড়ো)ঃ**

ওদালগুৰি জিলাৰ নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে পোলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰম্ভ কৰিছে। টংলা মহাবিদ্যালয়ত ৯৫৬জন প্ৰিজাইডিং আৰু পোলিং বিষয়াক প্ৰশিক্ষণৰ শুভাৰম্ভ কৰি জিলা আয়ুক্ত পুলক পাটগিৰিয়ে নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাটো নিশ্চিত কৰিবলৈ সকলোকে আহ্বান জনায়। প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ পাছত ৯ ছেপ্তেম্বৰত ওদালগুৰি মহাবিদ্যালয়ত প্ৰশিক্ষণ দিয়া হ'ব।

০০০০০০

সমাগত বি টি চি নিৰ্বাচন উপলক্ষে আজি মন্ত্ৰী পীযুষ হাজৰিকাই ওদালগুৰি জিলাৰ খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে। মন্ত্ৰী হাজৰিকাই তেওঁৰ ভাষণত জাতি-জনগোষ্ঠী নিৰ্বিশেষে সকলোৱে উন্নয়নৰ স্বাৰ্থত এই নিৰ্বাচনত বিজেপিক ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে বি টি আৰৰ উন্নয়নৰ বাবে বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতি পৰৱৰ্তী সময়ত আখৰে আখৰে পূৰণ কৰা হ'ব। উল্লেখযোগ্য যে খৈৰাবাৰী পৰিষদীয় সমষ্টিত বিজেপিৰ হৈ মদন ৰাভাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০

এটা বিৰল মহাজাগতিক পৰিঘটনাৰ ফলস্বৰূপে আজি নিশাৰ আকাশত ব্যতিক্ৰমী ধৰণৰ পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ পৰিলক্ষিত হ'ব। এই চন্দ্ৰগ্ৰহণ সমগ্ৰ দেশতে দৃশ্যমান হ'ব। গুৱাহাটীৰ লগতে দিল্লী, মুম্বাই, কোলকাতা আৰু বেংগালুৰুকে ধৰি দেশৰ সকলো নগৰ-মহানগৰৰ উপৰি সমগ্ৰ এছিয়া, অষ্ট্ৰেলিয়া, পূৱ আফ্ৰিকা আৰু ইউৰোপৰ অংশ বিশেষত এই চন্দ্ৰগ্ৰহণ দেখিবলৈ পোৱা যাব। তথ্য অনুসৰি এই চন্দ্ৰগ্ৰহণ আজি নিশা ৮ বাজি ৫৮ মিনিটত আৰম্ভ হ'ব আৰু ২ বাজি ২৫ মিনিটত ইয়াৰ সমাপ্তি ঘটিব। প্ৰায় ৮২ মিনিট সময়ৰ বাবে পূৰ্ণগ্ৰাস চন্দ্ৰগ্ৰহণ সম্পন্ন হ'ব বুলিও প্ৰকাশ পাইছে। উল্লেখযোগ্য যে গুৱাহাটী তাৰকা গৃহত আজি নিশাৰ এই বিৰল পৰিঘটনা চাব পৰাকৈ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই আকাশবাণীক জানিবলৈ দিছে।

০০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ত এখন বৈঠকত জিলাখনৰ শৈক্ষিক দিশৰ পৰ্যালোচনা কৰে। জিলাখনৰ সামগ্ৰিক শৈক্ষিক ফলাফল পূৰ্বতকৈ ভালেখিনি উন্নত হোৱা আৰু মুঠ নামভৰ্তিৰ সংখ্যা বৃদ্ধিৰ লগতে আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পোৱাক লৈ ডাঃ পেগুৱে সন্তুষ্টি প্ৰকাশ কৰে। অৱশ্যে এই ক্ষেত্ৰত ৰাজ্যৰ গড় পৰিসংখ্যাতকৈ জিলাখন কিছু পিচ পৰি থকাৰ পৰিপ্ৰেক্ষিতত তেওঁ সকলো বিষয়াবৰ্গক নতুন শিক্ষা নীতি অনুসৰি শৈক্ষিক পৰিস্থিতিতন্ত্ৰ উন্নত কৰিবলৈ আহ্বান জনায়।

ডাঃ পেগুৱে আজি তিনিচুকীয়াত সদৌ অসম ট্যুৰিষ্ট গাইড সংস্থাৰ দ্বিতীয়খন সন্মিলনত অংশ লয়। উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটন খণ্ডৰ দ্ৰুত বিকাশ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে সংস্থাটোৰ এনে পদক্ষেপৰ বাবে শলাগ লয়। এই সন্মিলনত অৰুণাচল প্ৰদেশৰ বিধায়ক অ'কেন টায়েং উপস্থিত থাকে।

০০০০০০

ভাৰতীয় দন্ত চিকিৎসক সন্থাৰ অসম শাখাই দাখিল কৰা অভিযোগ অনুসৰি শিলচৰ আৰক্ষীয়ে আজি চহৰখনত অভিযান চলাই দুজন ভূৱা চিকিৎসকক আটক কৰে। যোৱা দহ বছৰ ধৰি এই চিকিৎসক দুজনে চিকিৎসা চলাই আহিছিল। কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নুমল মহাত্তাই প্ৰকাশ কৰা মতে আজি আৰক্ষীৰ দলটোৱে তালাচী চলাই কামৰুল ইছলাম হাজাৰী আৰু টিংকু মজুমদাৰ নামৰ ভূৱা চিকিৎসক দুজনক আটক কৰে। এই সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

শিলচৰত কালি নিশা দুৰ্বৃত্তই এজন লোকক গুলীচালনা কৰা ঘটনা সংক্ৰান্তত কাছাৰ আৰক্ষীয়ে দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। ধৃত যুৱক দুজন হৈছে মিজোৰামৰ আইজলৰ ডেভিদ মাৰ আৰু ক্ৰিষ্টোফাৰ ভানলালপেকা। আৰক্ষীয়ে তেওঁলোকৰ পৰা অস্ত্ৰ-শস্ত্ৰসহ নগদ ধন জব্দ কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই জনোৱা মতে যুৱক দুজনৰ গুলীৰ আঘাতত গুৰুতৰভাৱে আহত হোৱা নিলোৎপল দাস নামৰ লোকজনে নেশ্যনেল হাইৱে আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান আৰম্ভ কৰি যুৱক দুজনক আটক কৰিবলৈ সমৰ্থ হয়।

০০০০০০অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই চাইবাৰ অপৰাধত জড়িত থকাৰ অভিযোগত আজি গুৱাহাটীৰ গড়চুক অঞ্চলৰ পৰা দুজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক দুজন ৰণজিৎ কাশ্যপ আৰু দিপাংকৰ দাস বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। যুৱক দুজনৰ পৰা ৩৪ খন এ টি এম কাৰ্ড, ২৫ খন পাছবুক, ২৭ খন চেকবুক, ৮ খন চীমকাৰ্ডৰ উপৰি ভালেমান আপত্তিজনক সামগ্ৰী জব্দ কৰা হৈছে। অসম আৰক্ষীয়ে এই যুৱক দুজনে তেলেংগানাতো এনে ধৰণৰ অপৰাধ সংঘটিত কৰাৰ তথ্য লাভ কৰিছে।

০০০০০০

চৰকাৰে বিশ্ব বেংকৰ পুঁজিৰে পৰিচালিত অসম স্থিতিকস্থাপক গুণ সম্পন্ন গ্ৰাম্য দলং কাৰ্যসূচী এ আৰ আৰ বি পিৰ অধীনত ৰাজ্যৰ ১২ খন জিলাত আৰু ২৮ খন দলং নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দলংসমূহ নিৰ্মাণ কৰাৰ বাবে ৮৫ কোটি ৮৮ লাখ টকা ব্যয় হ'ব। ৰাজ্য চৰকাৰে এ আৰ আৰ বি পি কাৰ্যসূচীৰ অধীনত পৰ্যায়ক্ৰমে গ্ৰাম্যাঞ্চলত প্ৰায় এহেজাৰ ২০০ খন দলং নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছে। অলপতে লোক নিৰ্মাণ বিভাগৰ বাহ্যিক সাহাৰ্য্য প্ৰাপ্ত শাখাই বৰপেটা, বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ, কাছাৰ, চৰাইদেউ, ডিব্ৰুগড়, ডিমাহাচাও, কাৰ্বি আংলং, লখিমপুৰ, নগাঁও আৰু শিৱসাগৰ জিলাত নিৰ্মাণ কৰিবলগীয়া ২৮ নতুন দলঙৰ বাবে নিবিদা আহ্বান কৰিছে।

০০০০০০

আগৰতলাত অনুষ্ঠিত য়নেক্স উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমে মুঠ ১১টা সোণৰ পদক জয়েৰে সফলতাৰে অভিযান সামৰিছে। ডাবল্ছত তিনিটা সোণ লাভ কৰা অসমে প্ৰতিযোগিতাৰ মুকলি শাখাত মুঠ ৮টা সোণ অৰ্জন কৰে। উল্লেখযোগ্য যে পুৰুষ, মহিলা তথা ১৯ বছৰ অনুৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত মুকলি শাখাৰ ১০খন ফাইনেলৰ ৯খনত অসমে প্ৰতিদ্বন্দ্বিতা কৰে আৰু ইয়াৰে ৮খনত সোণৰ পদক জয় কৰে। ছোৱালীৰ ছিংগল্ছ, ডাবল্ছ আৰু মিক্সড ডাবল্ছৰ পাঁচটা সোণ অসমৰ নবাগত খেলুৱৈসকলে অৰ্জন কৰে।

অসম দলৰ সফলতাৰ বাবে অসম বেডমিণ্টন সন্থাৰ সভাপতি তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই খেলুৱৈ, প্ৰশিক্ষক আৰু অন্যান্য সদস্যসকলক শুভেচ্ছা জনাইছে।

০০০০০০

সমাপ্ত